**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কালি সামগ্ৰিকভাৱে ৬০ দশমিক ৪ - ৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত ৰাজনৈতিক দলসমূহে এতিয়া ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

৩। সমগ্ৰ দেশত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হৈছে।

৪। অহা ২৮ জুনত ইৰাণৰ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

আৰু

৫। ছান ৰাইজাৰ্ছ হায়দৰাবাদ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কালি সামগ্ৰিকভাৱে ৬০ দশমিক ৪ - ৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। প্ৰচণ্ড গৰমকো নেওচি সমাজৰ সকলো শ্ৰেণীৰ লোকে ভোটগ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। এই পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯টা সমষ্টি সামৰি লোৱা হয়। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, ওড়িশা আৰু বিহাৰৰ ৫টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হয়। এই পৰ্যায়ত মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এইবাৰৰ নিৰ্বাচনত জম্মু-কাশ্মীৰৰ বাৰামুল্লাত যোৱা ৩৫ বছৰৰ ভিতৰত সৰ্বাধিক ৫৮ দশমিক ১ - ৭ শতাংশ ভোটদান হয়। পঞ্চম পৰ্যায়ত বিহাৰত ৫৪ দশমিক ৮ - ৫ শতাংশ, ঝাৰখণ্ডত ৬৩ দশমিক ০ - ৯ শতাংশ, লাডাখত ৬৯ দশমিক ৬ - ২ শতাংশ, মহাৰাষ্ট্ৰত ৫৪ দশমিক ৩ - ৩ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৭ - ৯ শতাংশ, ওড়িশাত ৬৯ দশমিক ৩ - ৪ শতাংশ আৰু পশ্চিমবংগত ৭৬ দশমিক ০ - ৫ শতাংশ হাৰত ভোটদান হয়।

পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ সমাপ্তিৰ লগে লগে দেশৰ ২৫খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪২৮টা সংসদীয় সমষ্টিত সাধাৰণ নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ, ছিকিম, অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ আটাইকেইখন আৰু ওড়িশা বিধানসভাৰ ৬৩ খন আসনৰ বাবে ভোটগ্ৰহণ সম্পূৰ্ণ হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত ৰাজনৈতিক দলসমূহে এতিয়া ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ২৫ মে'ত আৰু ১ জুনত হ'বলগীয়া ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মতিহাৰীৰ গান্ধী ময়দানত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাষণত কংগ্ৰেছক এটা পৰিয়ালকেন্দ্ৰিক দল বুলি অভিহিত কৰাৰ লগতে দলটোৱে মাত্ৰ এটা পৰিয়ালৰ স্বাৰ্থ সিদ্ধিৰ হকে কাম কৰি আহিছে বুলি অভিযোগ তোলে। লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি তেওঁ দাবী কৰে। শ্ৰী মোদীয়ে কয় যে জনসাধাৰণে নিৰ্বাচনত দুৰ্নীতিৰ গোচৰ আৰু ভাৰত বিৰোধী অভিযানত লিপ্ত হোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিব।

মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ শিকনিৰাজিৰ পৰা উদ্বুদ্ধ হোৱা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে কংগ্ৰেছ মহাত্মা গান্ধীৰ সপোন পূৰণত ব্যৰ্থ হৈছে। মহাত্মা গান্ধীৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ নীতি অনুসৰণ কৰিয়ে প্ৰতিটো পৰিয়ালৰ বাবে শৌচালয়ৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ লগতে দুখীয়া জনসাধাৰণক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে আই এন ডি আই মিত্ৰজোঁট একবিংশ শতিকাৰ আশা-আকাংক্ষাৰ সৈতে খোজ মিলাব নোৱাৰে আৰু একমাত্ৰ এন ডি এহে এই সপোনসমূহ বাস্তৱায়িক কৰিবলৈ সক্ষম। তেওঁ লগতে কেন্দ্ৰত এখন নিৰ্ণায়ক চৰকাৰেৰে পৰৱৰ্তী ৫ বছৰত অধিক ক্ষিপ্ৰতাৰে উন্নয়নমূলক কাম সম্পন্ন কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। শ্ৰী মোদীয়ে আজি বিহাৰৰ মহাৰাজ গঞ্জ সংসদীয় সমষ্টিৰ অধীনৰ গৰিয়াকোঠিত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাগ ল'ব।

দিল্লীতো সাতোখন সংসদীয় আসনৰ বাবে প্ৰচাৰ তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছে শনিবাৰে ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিকেইটাৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে।

আম আদমী পাৰ্টী আৰু কংগ্ৰেছে মূল্যবৃদ্ধি, কৰ্ম সংস্থাপনহীনতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিয়েও সুৰা নীতি কেলেংকাৰী আৰু অনিয়মৰ অন্যান্য ঘটনাক লৈ আম আদমী পাৰ্টীক তীব্ৰ সমালোচনা কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি চান্দনী চ'কত এটা ৰোড শ্ব'ত ভাগ ল'ব আৰু পালমত এখন নিৰ্বাচনী সভা সম্বোধন কৰিব। ইপিনে, আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উত্তৰ-পূব দিল্লীত এটা ৰোড শ্ব'ত অংশ ল'ব। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য নেতাসকলে মহানগৰখনৰ বিভিন্ন অংশত প্ৰচাৰ চলাইছে।

০০০০০০০

সমগ্ৰ দেশত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হৈছে। ১৯৯১ চনৰ ২১ মে'ত এল টি টি ইৰ আত্মঘাটী বোমাৰুৰ আক্ৰমণত চেন্নাইৰ সমীপৰ এখন গাঁৱত প্ৰাণ হেৰুওৱা প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। সমাজ আৰু ৰাষ্ট্ৰৰ ওপৰত সন্ত্ৰাসবাদ আৰু হিংসাৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়েও ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ বীৰভূমিত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০

অহা ২৮ জুনত ইৰাণৰ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। দেশখনৰ চৰকাৰী সংবাদ প্ৰতিষ্ঠান IRNA-ই এই কথা প্ৰকাশ কৰি কৈছে যে দেশখনৰ অন্তৰ্বৰ্তী ৰাষ্ট্ৰপতি মহম্মদ ম'খবেৰ, ন্যায়পালিকাৰ মুৰব্বী গোলামহোছেইন মহছেনি-এজেই আৰু সংসদৰ অধ্যক্ষ মহম্মদ বাকেৰ কোৱালিবাফৰ লগতে আইনী পৰিক্ৰমা দপ্তৰৰ উপ-ৰাষ্ট্ৰপতি মহম্মদ ডেহকান আৰু ইৰাণৰ সাংবিধানিক পৰিষদ তথা আভ্যন্তৰীণ মন্ত্ৰালয়ৰ প্ৰতিনিধিসকলৰ উপস্থিতিত অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে এটা হেলিকপ্তাৰ দুৰ্ঘটনাত ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছিৰ মৃত্যু ঘটাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ শীৰ্ষ নেতা আয়াতুল্লা আলী খামেনিয়ে উপ-ৰাষ্ট্ৰপতি মহম্মদ ম'খবেৰক অন্তৰ্বৰ্তী ৰাষ্ট্ৰপতি হিচাপে নিযুক্তি দিছিল।

ইৰাণৰ সংবিধান অনুসৰি অন্তৰ্বৰ্তী ৰাষ্ট্ৰপতিগৰাকীয়ে সৰ্বাধিক ৫০ দিনৰ ভিতৰত এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগে। উল্লেখযোগ্য যে দেশখনৰ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ বিচৰা প্ৰাৰ্থীসকলৰ পঞ্জীয়ন অহা ৩০ মে'ৰ পৰা ৩ জুনৰ ভিতৰত সম্পন্ন হ'ব। আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ বাবে ১২ জুনৰ পৰা ২৭ জুনৰ ভিতৰত সময় ধাৰ্য কৰা হৈছে।

০০০০০০০

সদ্যপ্ৰয়াত ইৰাণৰ ৰাষ্ট্ৰপতি ড° ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশতে আজি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰা হৈছে। সেই অনুসৰি সমগ্ৰ দেশতে নিয়মীয়াকৈ ৰাষ্ট্ৰীয় পতাকা উৰি থকা ভৱনসমূহত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে। লগতে আজিৰ দিনটোত কোনোধৰণৰ আনুষ্ঠানিক মনোৰঞ্জনমূলক কাৰ্যসূচী পালন কৰা নহ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশমন্ত্ৰীয়ে এটা হেলিকপ্তাৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে।

০০০০০০০

ছান ৰাইজাৰ্ছ হায়দৰাবাদ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। আনহাতে, পৰাজিত দলটোৱে শুকুৰবাৰে কোৱালিফায়াৰ টু-ত খেলাৰ যোগ্যতা অৰ্জন কৰিব। একেখন ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েলছ্ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত এলিমিনেটৰ খেলখন অনুষ্ঠিত হ'ব। এই খেলখনত বিজয়ী দলটোৱে কোৱালিফায়াৰ-টুত খেলাৰ সুযোগ লাভ কৰিব।

০০০০০০০

ইউৰোপ ভ্ৰমণলৈ যোৱা ভাৰতীয় হকী দলটোৱে বেলজিয়ামৰ বিৰুদ্ধে জয়লাভেৰে তেওঁলোকৰ প্ৰতিযোগিতা আৰম্ভ কৰিছে। ভাৰতীয় দলৰ উপ-দলপতি শ্বৰ্দানন্দ তিৱাৰীয়ে এটা পেনাল্টি□ষ্ট্ৰোকক গ'ললৈ পৰিৱৰ্তিত কৰি দলটোক প্ৰথম অগ্ৰগতি প্ৰদান কৰে। আনহাতে, খেলৰ প্ৰথমাৰ্ধৰ সমাপ্তিৰ পূৰ্বে একেগৰাকী খেলুৱৈয়ে পেনাল্টিৰ জৰিয়তে গ'ল দি দলৰ অগ্ৰগতি ২-০লৈ বৃদ্ধি কৰে। আনহাতে, বেলজিয়ামৰ দলটোৱে খেলৰ দ্বিতীয়াৰ্ধত পেনাল্টি কৰ্ণাৰক গ'ললৈ ৰূপান্তৰ কৰি গ'লৰ ব্যৱধান ২-১ লৈ হ্ৰাস কৰে। আনহাতে, খেল শেষ হোৱাৰ কেইমিনিটমান পূৰ্বে আন এটা পেনাল্টি□কৰ্ণাৰৰ সুযোগ লৈ বেলজিয়ামৰ দলটোৱে খেলখনত সমতা স্থাপন কৰে। এনেদৰে নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ'লত অমীমাংসিত হৈ ৰোৱাত পেনাল্টি শ্বুট আউতৰ সহায় লোৱা হয়। পেনাল্টি শ্বুট আউটত ভাৰতৰ হৈ গুৰ্জোৎ সিং, সৌৰভ আনন্দ খুশ্বাহা, দিলৰাজ সিং আৰু মনমীত সিঙে গ'ল দিয়াৰ বিপৰীতে দলটোৰ গ'লৰক্ষক প্ৰিন্স দীপ সিঙে প্ৰতিপক্ষৰ দুটাকৈ শ্বট ব্যৰ্থ কৰি ৪-২ ফলাফলেৰে দলৰ বিজয় নিশ্চিত কৰে। ভাৰত কাইলৈ নেডাৰলেণ্ডছৰ ব্ৰেডাত হ'বলগীয়া পৰৱৰ্তী খেলত বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰতৰ এক্‌তা ভৈয়ানে জাপানৰ কোবেত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিক প্ৰতিযোগিতাৰ মহিলাৰ এফ ফিফ্‌টি ৱান শিতানত সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে আজি ২০ দশমিক ১-২ মিটাৰৰ বছৰটোৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে স্বৰ্ণপদক হস্তগত কৰে। ভাৰতৰ আন এগৰাকী খেলুৱৈ কশিশ লাক্ৰাই ১৪ দশমিক ৫-৬ মিটাৰেৰে ৰূপৰ পদক লাভ কৰে। আনহাতে, আলজেৰিয়াৰ নাড্‌জেট্ বাউশ্বৰফে এই শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০০০

**সমাপ্ত**